**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 28-07-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত কাইলৈ পুৱাৰ পৰা হ'বলগীয়া উচ্ছেদৰ পূৰ্বে আৰক্ষী আৰু বন বিভাগৰ তৎপৰতা বৃদ্ধি।

২। কাজিৰঙাৰ তৃণভূমি পক্ষী গণনাত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগক প্ৰধানমন্ত্ৰীৰ ভূয়সী প্ৰশংসা।

৩। দেশভক্ত তৰুণৰাম ফুকনৰ স্মৃতিত আয়োজিত দেশভক্তি দিৱস উপলক্ষে কুইজ প্ৰতিযোগিতা সম্পন্ন।

৪। কোকৰাঝাৰত ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত কিংবদন্তী খেলুৱৈ সুনীল ছেত্ৰীৰ অংশগ্ৰহণ।

*আৰু*

৫। অল্ড ট্ৰেফৰ্ডৰ চতুৰ্থখন টেষ্ট মেচ ড্ৰ'ৰে সমাপ্ত।

oooooooo

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত কাইলৈ পুৱাৰ পৰা হ'বলগীয়া উচ্ছেদৰ পূৰ্বে আৰক্ষী আৰু বন বিভাগৰ তৎপৰতা বৃদ্ধি পাইছে। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে প্ৰশাসনে ইতিমধ্যে অঞ্চলটোত উচ্ছেদৰ বাবে শ-শ এক্সকেভেটৰ সাজু কৰিছে। উল্লেখযোগ্য যে বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৭০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে। উচ্ছেদৰ পূৰ্বে বন বিভাগে সোণাৰীবিল, মধুপুৰ, খেৰবাৰী, পিঠাঘাটকে ধৰি অন্যান্য গাঁওসমূহত বসতি কৰা লোকসকলক আজিৰ ভিতৰত অঞ্চলটো খালী কৰি দিবলৈ অন্তিমবাৰৰ বাবে সকিয়াই দিছে। ইয়াৰ আগেয়ে প্ৰশাসনে জাৰি কৰা জাননীত দখল কৰা লোকসকলক সাত দিনৰ ভিতৰত এই স্থান খালী কৰিবলৈ সময়সীমা বান্ধি দিয়া হৈছিল। কেইবাটাও পৰ্যায়ত হ'বলগীয়া এই উচ্ছেদ অভিযানত প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হ'ব।

মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰিবিল গাঁৱত উচ্ছেদ চলোৱাৰ বাবেও প্ৰশাসন সাজু হৈছে।

ইপিনে, নগাঁও জিলাৰ হাতীচোং মৌজাৰ দুটা স্থানত প্ৰশাসনে উচ্ছেদ চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰি দখলকাৰীলৈ জাননী জাৰি কৰিছে। এই জাননীৰ জৰিয়তে লোকসকলক সংৰক্ষিত বনভূমি খালী কৰি দিবলৈ নিৰ্দেশ দিয়া হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে হাতীচোং মৌজাৰ গৰৈমাৰী পথাৰ কিচামতৰ ৭২ নম্বৰ চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভৰ লগতে বগৰীগুৰি পাম কিচামতৰ ৬২ আৰু ৬৩ নম্বৰ চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভত উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসনে সিদ্ধান্ত লৈছে।

oooooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ তৃণভূমি পক্ষী গণনাত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাতৰ ১২৪ সংখ্যক খণ্ডত কালি ভূয়সী প্ৰশংসা কৰে। প্ৰথমবাৰৰ বাবে কৰা এই সমীক্ষাত ৪৩টা প্ৰজাতিৰ পক্ষীৰ তথ্য পোৱা গৈছে। এই সমীক্ষাত কম্পিউটাৰ প্ৰযুক্তি ব্যৱহাৰৰ জৰিয়তে শব্দ বাণীবদ্ধ কৰা কিছু আহিলা স্থাপন কৰাৰ পাছত তাত বাণীবদ্ধ হোৱা শব্দসমূহ বিশ্লেষণ কৰা হয়। এই পদক্ষেপৰ সৈতে জড়িত সমগ্ৰ দলটোক প্ৰশংসা কৰি শ্ৰীমোদীয়ে দেশৰ জৈৱ বিচিত্ৰতাৰ আন্তৰ্জাতিক স্বীকৃতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এনে পদক্ষেপসমূহৰ সংবৰ্ধন হোৱা উচিত বুলি মত প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কাজিৰঙাৰ অতুলনীয় সৌন্দৰ্যৰ কথা প্ৰকাশ কৰি ৰাষ্ট্ৰীয় উদ্যানৰ বিপন্ন প্ৰজাতিৰ চৰাইৰ বাসস্থানৰ বিষয়ে উল্লেখ কৰে।

০০০০০০০০

ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰা স্বাধীনতা সংগ্ৰামী, সুদক্ষ বক্তা, লেখক আৰু চিকাৰী, দেশভক্ত তৰুণৰাম ফুকনৰ আজি স্মৃতি দিৱস। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা দেশভক্ত তৰুণৰাম ফুকনৰ স্মৃতিত বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই সন্দৰ্ভত আমাৰ গুৱাহাটী সংবাদদাতা হেমন্ত বৰাই এইদৰে জনাইছে–

***(বাইট ঃ হেমন্ত বৰা)***

দেশভক্ত তৰুণৰাম ফুকনৰ সোঁৱৰণত কালি অনুষ্ঠিত দেশভক্তি কুইজ প্ৰতিযোগিতাত ৰাজ্যৰ লগতে কেৰালা, দিল্লী আদিকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় এহেজাৰ ২০০ গৰাকী প্ৰতিযোগীৰে গঠিত মুঠ ৩৪৮ টা দলে অংশগ্ৰহণ কৰে। বিশিষ্ট কুইজ পৰিচালক অচিন্ত্য শৰ্মাই পৰিচালনা কৰা কুইজ প্ৰতিযোগিতাখন প্ৰাথমিক আৰু চূড়ান্ত দুটা পৰ্যায়ত অনুষ্ঠিত হয়। প্ৰাথমিক পৰ্যায়ত অনুষ্ঠিত লিখিত পৰীক্ষাৰ পৰা ছটা দলক চূড়ান্ত পৰ্যায়লৈ বাচনি কৰা হয়। **দ্যা থ্ৰি বডি প্ৰব্লেম এণ্ড দাব** দলটোৱে চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে। **ছাৰে জাহাছে আচ্ছা** দলটোৱে দ্বিতীয় আৰু **গড়ৰ** দলটোৱে তৃতীয় বিজয়ীৰ সন্মান লাভ কৰে। প্ৰতিযোগিতাৰ আৰম্ভণিতে তথ্য, জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগৰ আয়ুক্ত সচিব কুমাৰ পদ্মপানী বৰাই প্ৰতিযোগীসকলক আদৰণি জনোৱাৰ লগতে মন্ত্ৰী পীযুষ হাজৰিকাই শুভেচ্ছা জনায়। আজি হ'বলগীয়া দেশভক্তি দিৱসৰ মূল সভাত বিজয়ীসকলক নগদ ধন আৰু প্ৰমাণ পত্ৰৰে পুৰস্কৃত কৰা হ'ব।

০০০০০০০০

সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যৰ আজি ওপজা দিন। ১৯৩২ চনত যোৰহাটত জন্মগ্ৰহণ কৰা কবিগৰাকীৰ পিতৃ আছিল তীৰ্থনাথ ভট্টাচাৰ্য আৰু মাতৃ স্নেহলতা ভট্টাচাৰ্য। বহু মননশীল কবিতাৰে অসমীয়া কাব্যজগত চহকী কৰাৰ লগতে কাব্যপ্ৰেমীসকলক মুগ্ধ কৰি ৰখা হীৰেন ভট্টাচাৰ্য প্ৰথম পুথিখন ১৯৫৭ চনত প্ৰকাশ পায়। মোৰ দেশ মোৰ প্ৰেমৰ কবিতা, বিভিন্ন দিনৰ কবিতা, কবিতাৰ ৰ'দ, তোমাৰ গান, সুগন্ধি পখিলা, ভালপোৱাৰ বোকামাটি আদি তেওঁৰ কেইখনমান কাব্যগ্ৰন্থ। বিষ্ণুৰাভা বঁটা, ছোভিয়েট দেশ নেহেৰু বঁটা, সাহিত্য একাডেমী বঁটা, অসম উপত্যকা সাহিত্য বঁটা আদি বিভিন্ন বঁটাৰে সন্মানিত কবিগৰাকীক প্ৰেম আৰু ৰ'দালিৰ কবি ৰূপেও পৰিচিত। অসমৰ বিভিন্ন প্ৰান্তত আজি হীৰেন ভট্টাচাৰ্যৰ ওপজা দিন উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০০০

ৰাজ্য চৰকাৰৰ জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উপস্থিতিত কালি শ্ৰীভূমি চহৰত ৮১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া অত্যাধুনিক পানীযোগান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। এই বৃহৎ প্ৰকল্পই শ্ৰীভূমি চহৰত খোৱাপানীৰ সমস্যা সমাধান কৰিব বুলি মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে।

বাইট (মল্লবৰুৱা)

অনুষ্ঠানত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়কে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

oooooooo

কামৰূপ জিলাৰ লংতুৰি পাহাৰ অঞ্চলত ভূমিস্খলনৰ ফলত বন্ধ হৈ পৰা বকো-লাংপি সংযোগী পথটো এতিয়াও মুকলি হোৱা নাই। অঞ্চলটোত বিগত কিছুদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত পাহাৰৰ মাটি আৰু বৃহৎ আকাৰৰ শিল বাগৰি পৰাত শনিবাৰৰপৰা পথটোৰে যাতায়াত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। পথটো বন্ধ হোৱাৰ ফলত কাষৰীয়া জনজাতীয় অঞ্চলৰ ৰাইজ অসুবিধাৰ সন্মুখীন হৈছে। এই বিষয়ত অধিক তথ্যৰ সৈতে এয়া আমাৰ কামৰূপ জিলাৰ সংবাদদাতা কৌশিক দাস –

বাইট

oooooooo

ভৈয়াম জনজাতি উন্নয়ন নিগমৰ অধীনত ধৰ্তি আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযান আঁচনিৰ অধীনত জোনাই সমষ্টিৰ অন্তৰ্গত ১৮ খন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ বাবে সুকীয়া সুকীয়া আবাসিক ভৱন নিৰ্মাণৰ মঞ্জুৰী লাভ কৰিছে। এই আঁচনিৰ অধীনত প্ৰতিখন বিদ্যালয়লৈ প্ৰায় চাৰি কোটিকৈ টকা আৱণ্টন হৈছে। উল্লেখযোগ্য যে জনজাতীয় অঞ্চলৰ গাঁওসমূহৰ উন্নয়নক লৈ প্ৰধানমন্ত্ৰীৰ দূৰদৰ্শী দৃষ্টিক বাস্তৱত ৰূপায়িত কৰাৰ লক্ষ্যৰে ভৈয়াম জনজাতি উন্নয়ন নিগমে এই আঁচনিখন গ্ৰহণ কৰিছে। জোনাই সমষ্টিতে এই আঁচনিৰ অধীনত সৰ্বাধিক বিদ্যালয়ে আবাসিক ভৱন নিৰ্মাণৰ মঞ্জুৰী লাভ কৰিছে। ২৯ জুলাইত সমগ্ৰ দেশতে একেলগে ভাৰ্চুৱেলী প্ৰধানমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰিবলগীয়া কাৰ্যসূচীৰ পূৰ্বে জোনাই সমষ্টিৰ বিধায়ক ভূবন পেগুৱে বিদ্যালয়সমূহৰ আৱাস নিৰ্মাণস্থলীসমূহ কালি পৰিদৰ্শন কৰে।

oooooooo

সদ্য ঘোষিত চি ইউ ই টি স্নাতকোত্তৰ সমাজতত্ব বিভাগৰ প্ৰৱেশ পৰীক্ষাত ডিফুৰ শৈলজা ছিংনাৰপিয়ে দেশৰ ভিতৰত ৮৭ সংখ্যক স্থান লাভ কৰাৰ লগতে অসমৰ শিক্ষাৰ্থীসকলৰ ভিতৰত প্ৰথম স্থান সাব্যস্ত কৰিবলৈ সমৰ্থ হৈছে। শ্ৰী ছিংনাৰপি ডিফুৰ বিশিষ্ট লেখক অজিৎ ছিংনাৰ আৰু ডিফু চৰকাৰী মহাবিদ্যালয়ৰ প্ৰবক্তা গীতা হান্সেপিৰ জীয়ৰী। ছাত্ৰীগৰাকীৰ এই সাফল্যত তেওঁৰ গৃহ চহৰ ডিফুৰ আনন্দৰ লহৰ উঠিছে বুলি আমাৰ কাৰ্বি আংলঙৰ সংবাদাতাই জানিবলৈ দিয়ে।

oooooooo

১৩৪ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কোকৰাঝাৰত অনুষ্ঠিত প্ৰথমখন খেলত কালি কাৰ্বি আংলং মৰ্নিং ষ্টাৰ এফ চিয়ে ব্যৰ্থতাৰে অভিযান আৰম্ভ কৰে। সেনাবাহিনীয়ে আয়োজন কৰা এছিয়াৰ আটাইতকৈ পুৰণি ফুটবল প্ৰতিযোগিতাখনত অভিষেক কৰাৰ সুযোগ লাভ কৰা ফুটবল দলটোৱে আই টি বি পি

ফুটবল দলৰ বিৰুদ্ধে নিজৰ প্ৰথমখন খেলত ২-১ গ'লৰ ব্যৱধানত পৰাস্ত হয়। খেলখনৰ ২২ মিনিটতে মৰ্ণিং ষ্টাৰৰ খেলুৱৈয়ে ৰঙা কাৰ্ড লাভ কৰাত বাকী সময়খিনি ১০জনেহে খেলিবলগীয়া হয়।

ইয়াৰ পূৰ্বে কোকৰাঝাৰৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ ষ্টেডিয়ামত কালি বৰ্ণাঢ্য কাৰ্যসূচীৰে ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত কিংবদন্তী ফুটবল খেলুৱৈ সুনীল ছেত্ৰী, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, ভূটানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° লটে ছেৰিং আৰু মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে।

প্ৰতিযোগিতাত আজি কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত গ্ৰুপ বিৰ প্ৰথমখন খেলত মহমেদান স্পোৰ্টিং দলে ডায়মণ্ড হাৰ্বাৰ এফ চিৰ বিৰুদ্ধে খেলিব।

00000000

ভাৰত আৰু ইংলেণ্ডৰ মাজত অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত চতুৰ্থখন টেষ্ট মেচ ড্ৰ' হয়। চতুৰ্থখন টেষ্টৰ প্ৰথম ইনিংছত ভাৰতে ৩৫৮ ৰাণ সংগ্ৰহ কৰে । ইয়াৰ পাছতে ইংলেণ্ডে প্ৰথম ইনিংছত ৬৬৯ ৰাণ সংগ্ৰহ কৰি ৩১১ ৰাণৰ অগ্ৰগতি লাভ কৰে । দ্বিতীয় ইনিংছত টীম ইণ্ডিয়াই চাৰিটা উইকেটৰ বিনিময়ত ৪২৫ ৰাণ কৰে। খেলখনত ৱাশ্বিংটন সুন্দৰ আৰু ৰবীন্দ্ৰ জাদেজাই উৎকৃষ্ট খেল প্ৰদৰ্শন কৰে আৰু দুয়োজনে শতকীয় ইনিংছ খেলে। ৱাশ্বিংটন সুন্দৰে ২০৬টা বলত অপৰাজেয় ১০১ ৰাণ সংগ্ৰহ কৰি খেলি আছিল আৰু জাদেজাই ১৮৫টা বলত ১০৭ ৰাণ কৰি খেলি আছিল। ইয়াৰ পূৰ্বে মেচখনত শুভমন গিলেও শতক অৰ্জন কৰে। ইংলেণ্ডৰ হৈ পাঁচটা উইকেট দখল আৰু ১৪১ৰাণ সংগ্ৰহ কৰা বেন ষ্টকক প্লেয়াৰ অব় দা মেচ সন্মান প্ৰদান কৰা হয়। ভাৰত শৃংখলাত ২-১ ফলাফলত পিছ পৰি আছে। শৃংখলাৰ পঞ্চম আৰু অন্তিমখন মেচ ৩১ জুলাইৰ পৰা আৰম্ভ হ'ব।

00000000

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকত সমূহত অনান্য খবৰসমূহৰ লগতে ৰাজ্যত অব্যাহত থকা উচ্ছেদ অভিযানৰ বিভিন্ন বাতৰিয়ে শিৰোনাম দখল কৰিছে। শিৱসাগৰত ১০টা জাতীয় সংগঠনে সংবাদমেল সম্বোধন কৰি ঐতিহাসিক চৰাইদেউৰ লগতে উজনিৰ বিভিন্ন অঞ্চল বেদখলকাৰীৰ কৱলত পৰা বুলি দাবী কৰি চৰকাৰক উচ্ছেদ অভিয়ান চলোৱাৰ আহ্বান জনাইছে৷ অসমীয়া প্ৰতিদিন কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে৷ মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পক্ষী সম্পৰ্কে প্ৰশংসা কৰাৰ পাছতেই ৰাজ্যিক বিজেপিয়ে আদৰণি জনোৱা বাতৰিটোক অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে৷ গোলাঘাটৰ উৰিয়ামঘাটত উচ্ছেদ চলাবলৈ প্ৰশাসনে অন্তিম প্ৰস্তুতি চলোৱাৰ এটা বাতৰি দৈনিক জনমভূমি কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে৷ দৈনিক অসম কাকততো এই বাতৰিটোৱে উৰিয়ামঘাটত যুদ্ধসদৃশ পৰিৱেশ শিৰোনামেৰে প্ৰথম

পৃষ্ঠান স্থান লাভ কৰিছে। গুৱাহাটী মহানগৰীৰ ফটাশিলৰ কালাপানীত শতাধিক সন্দেহজনক লোকক বন বিভাগে উচ্ছেদৰ জাননী জাৰি কৰাৰ এটা বাতৰিয়ে আমাৰ অসম কাকতত শিৰোনাম দখল কৰিছে। উত্তৰাখণ্ডৰ হৰিদ্বাৰৰ মনসা দেৱীৰ মন্দিৰত পদপিষ্ট হৈ কমেও আঠজন লোকৰ মৃত্যু হোৱা বাতৰিটোৱে আন কাকতসমূহৰ লগতে নিয়মীয়া বাৰ্তা, দি আচাম ট্ৰিব্ৰিউন,, দি টাইমছ অব ইণ্ডিয়াত শিৰোনাম দখল কৰিছে। লোকনিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তা যোশিতা দাসৰ আত্মহননৰ ঘটনাৰ চিবিআই তদন্তৰ দাবীত কালি কংগ্ৰেছে ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰা বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

oooooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooooo

**সমাপ্ত**